**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 09**-04-2026
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

**::::::::::::::::::::::::::::::::::::::::::**

১। অসম বিধানসভাৰ নিৰ্বাচনত ভোটগ্ৰহণত এই পৰ্যন্ত প্ৰায় ৮৪ দশমিক ৪—২ শতাংশ ভোটদাতাই ভোটাধিকাৰ সাব্যস্ত কৰে।

২। কেৰালাম আৰু কেন্দ্ৰীয়শাসিত অঞ্চল পুডুচেৰীত আজি অনুষ্ঠিত বিধানসভা নিৰ্বাচনত ক্ৰমে ৭৫ দশমিক ০-১ শতাংশ আৰু ৮৬ দশমিক ৯-২ শতাংশ ভোটদান হয়।

৩। চাৰিদিনীয়া ভ্ৰমণসূচীৰে ভূটানলৈ যোৱা কেন্দ্ৰীয় শক্তি মন্ত্ৰী মনোহৰ লালে আজি দেশখনৰ প্ৰধানমন্ত্ৰী চেৰিং টপগেক সাক্ষাৎ কৰে।

৪। ইৰানৰ সংসদৰ অধ্যক্ষ মহম্মদ বাঘেৰ খালিবাফে লেবাননত হিজবুল্লাৰ ওপৰত ইজৰাইলৰ আক্ৰমণক কঠোৰভাৱে প্ৰত্যুত্তৰ দিয়া হ'ব বুলি সকিয়াই দিছে। *আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি কলকাতাৰ ইডেন গাৰ্ডেনছত কিছু সময়ৰ পাছত হ'বলগীয়া এখন খেলত কলকাতা নাইট ৰাইডাৰ্ছ, লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০

অসমৰ ১২৬টা বিধানসভা সমষ্টিত অনুষ্ঠিত ভোটগ্ৰহণ সামৰণি পৰিছে। অৱশ্যে কেতবোৰ স্থানত নিৰ্ধাৰিত সময়ৰ পূৰ্বে ভোটগ্ৰহণ কেন্দ্ৰত প্ৰৱেশ কৰা ভোটদাতাসকলৰ ভোটদান চলি আছে। নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি ৰাজ্যখনত বিয়লি ৫ বজালৈ সামগ্ৰিক ভোটদানৰ হাৰ হৈছে প্ৰায় ৮৪ দশমিক ৪—২ শতাংশ। **দক্ষিণ শালমাৰা মানকাচৰ** জিলাত সৰ্বাধিক ৯৪ দশমিক ০—৮ শতাংশ ভোটদান সম্পন্ন হৈছে বুলি নিৰ্বাচন আয়োগে প্ৰকাশ কৰিছে। এইবাৰ নৱ প্ৰজন্মৰ ভোটদাতাসকলৰ লগতে জ্যেষ্ঠ নাগৰিকসকলেও বিপুল হাৰত তেওঁলোকৰ গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰে। প্ৰায়বোৰ ঠাইতে শান্তিপূৰ্ণভাৱে ভোটগ্ৰহণ অনুষ্ঠিত হোৱাৰ বাতৰি পোৱা গৈছে।

ৰাজ্যখনৰ **ডিব্ৰুগড়** জিলাৰ ছটা বিধানসভা সমষ্টিত ৮০ দশমিক ০—২ শতাংশ, **ধেমাজি** জিলাৰ তিনিটা সমষ্টিত ৭৯ দশমিক ৪—০ শতাংশ, **যোৰহাট** জিলাৰ চাৰিটা সমষ্টিত ৭৯ দশমিক ৯—৩ শতাংশ, **চৰাইদেউ** জিলাৰ অন্তৰ্গত দুয়োটা সমষ্টিতে ৮২ দশমিক ৯—১ শতাংশ, **মাজুলী** সমষ্টিৰ অন্তৰ্গত ১৮৮টা ভোটগ্ৰহণ কেন্দ্ৰত ৮৩ দশমিক ৬—৭ শতাংশ ভোটদান হৈছে। **গোলাঘাট** জিলাত ৮০ দশমিক ৯—৬ শতাংশ, **মৰিগাঁৱত** ৮৮ দশমিক ৯—৫ শতাংশ, **নগাঁও** জিলাৰ ছটা বিধানসভা সমষ্টিত ৮৭ দশমিক ১—৮ শতাংশ ভোটদান হোৱাৰ বাতৰি আহিছে।

ইফালে **দৰং** জিলাৰ তিনিটা সমষ্টিত প্ৰায় ৯০ দশমিক ৯—১ শতাংশ ভোটদান হৈছে বুলি আমাৰ সংবাদদাতাই জনাইছে। **নলবাৰী** জিলাত ৮৬ দশমিক ৮—৯ শতাংশ, কামৰূপ জিলাত ভোটদানৰ হাৰ হৈছে ৮৬

দশমিক ৮—৭ শতাংশ। **কামৰূপ মহানগৰ** জিলাৰ চাৰিটা সমষ্টিত সামগ্রিকভাৱে প্রায় ৭৬ দশমিক ৪—১ শতাংশ ভোটদান সব্যস্ত হৈছে।

**তামুলপুৰ** জিলাৰ দুয়োটা সমষ্টিতে ৮২ শতাংশ ভোটদান সম্পন্ন হয়। **বৰপেটা** জিলাত ৯১ দশমিক ৯—২ শতাংশ ভোটদান হয়।

**ধুবুৰী** জিলাত ৯০ দশমিক ৬—৩ শতাংশ আৰু **চিৰাং** জিলাৰ তিনিটা সমষ্টিত ৮৬ দশমিক ০—৬ শতাংশ ভোটদান হোৱাৰ তথ্য লাভ কৰা গৈছে। একেদৰে **শ্রীভূমি** জিলাত ৮৩ দশমিক ৩—৫ শতাংশ, **শোণিতপুৰ**ত ৮২ দশমিক ২—৩ শতাংশ, **বঙাইগাঁৱত** ৯১ দশমিক ৭—৭ শতাংশ, **গোৱালপাৰা**ত ৯১ দশমিক ৩—৪ শতাংশ, **বজালীত** ৮৬ দশমিক ৮—৯ শতাংশ, কাছাৰত ৮২ দশমিক ১—৯ শতাংশ আৰু **শিৱসাগৰত** ৮৩ দশমিক ৩—০ শতাংশ ভোটদান হোৱা বুলি আমাৰ সংবাদদাতাসকলে প্রকাশ কৰিছে।

০০০০

কেৰালাম আৰু কেন্দ্রীয়শাসিত অঞ্চল পুডুচেৰীত আজি বিধানসভা নির্বাচনৰ ভোটগ্রহণ অনুষ্ঠিত হৈছে। কেৰালামৰ ১৪০টা আৰু পুডুচেৰীত ৩০টা সমষ্টিৰ বাবে একেটা পর্যায়ত ভোটগ্রহণ কৰা হৈছে। পুৱা ৭ বজাত ভোটগ্রহণ আৰম্ভ হৈছিল আৰু সন্ধিয়া ৬ বজাত ভোটগ্রহণৰ সামৰণি পৰে।

কেৰালামত সন্ধিয়া ৫ বজা পর্যন্ত ৭৫ দশমিক ০ - ১ শতাংশ ভোটদান হৈছে। ৰাজ্যখনৰ কোঝিকৰে জিলাত সর্বাধিক ৭৭ দশমিক ৬-৩ শতাংশ ভোটগ্রহণ হয়। ৰাজ্যখনৰ ১৪০টা সমষ্টিৰ বাবে ৮৮৩ গৰাকী প্রার্থী প্রতিদ্বন্দ্বিতাত অৱতীর্ণ হৈছে। ৰাজ্যখনৰ ২ কোটি ৭১ লাখ ভোটদাতাই এই প্রার্থীসকলৰ ৰাজনৈতিক ভাগ্য নির্ণয় কৰিব। ৰাজ্যখনত ৩০ হাজাৰ ৩৯৫টা ভোটগ্রহণ কেন্দ্র স্থাপন কৰা হৈছে আৰু ইয়াৰে ২ হেজাৰ ৪০টা স্পর্শকাতৰ হিচাপে চিহ্নিত হৈছে।

পুডুচেৰীত সন্ধিয়া ৫ বজা পর্যন্ত ৮৬ দশমিক ৯-২ শতাংশ ভোটদাতাই ভোটদানৰ অধিকাৰ সাব্যস্ত কৰিছে। অঞ্চলটোৰ ৩০টা সমষ্টিৰ ভিতৰত ২৬টাতে বিয়লি ৩ বজা পর্যন্ত ৭০ শতাংশৰো অধিক ভোটদান হৈছে। নির্বাচন কর্তৃপক্ষই প্রকাশ কৰা অনুসৰি ভোটদানৰ হাৰ ৯০ শতাংশৰো অধিক ভোটদান হোৱাৰ সম্ভাৱনা আছে। সমষ্টিসমূহৰ ভিতৰত থিৰুভুবনাইট সর্বাধিক ৭৭ দশমিক ৭-৬ শতাংশ ভোটদান হৈছে। মাহে সমষ্টিত সর্বনিম্ন ৫৯ দশমিক ৩-৯ শতাংশ ভোটদান হৈছে।

ৰাজ্যখনৰ ৩০টা বিধানসভা সমষ্টিত ২৯৪ গৰাকী প্রার্থী প্রতিদ্বন্দ্বিতাত অৱতীর্ণ হৈছে। ৯ লাখ ৫০ হাজাৰ ৬৩৯ গৰাকী ভোটদাতাই কেন্দ্রীয়শাসিত অঞ্চলটোৰ এহেজাৰ ৯৯টা ভোটকেন্দ্রত ভোটদানৰ সুযোগ লাভ কৰিছে। ভোটকেন্দ্রসমূহৰ ২০৯টা স্পর্শকাতৰ আৰু ৫টা জটিল কেন্দ্র আছিল। ৩০টা ভোটকেন্দ্র মহিলাৰ দ্বাৰা, ১৫টা যুৱ প্রজন্মৰ বিষয়া-কর্মচাৰীৰ দ্বাৰা আৰু দুটা বিশেষভাৱে সক্ষমভাৱে লোকে পৰিচালনা কৰে। কেন্দ্রীয়শাসিত অঞ্চলটোৰ সংস্কৃতি আৰু ঐতিহ্য প্রতিফলিত কৰিব পৰাকৈও ভোটগ্রহণ কেন্দ্র স্থাপন কৰা হৈছিল। ২০২১ চনৰ বিধানসভা নির্বাচনত কেন্দ্রীয় শাসিত অঞ্চলটোত ৮৩ দশমিক ৪-২ শতাংশ ভোটদান হৈছিল।

ইপিনে দেশৰ তিনিখন ৰাজ্যৰ চাৰিটা বিধানসভা সমষ্টিৰ উপ-নির্বাচনৰ ভোটগ্রহণ আজি অনুষ্ঠিত হয়। প্রাপ্ত্য তথ্য অনুসৰি  বিয়লি তিনিবজা পর্যন্ত  কর্ণাটকৰ বাগালকোট সমষ্টিত ৬৫ দশমিক ৬-৮ শতাংশ, দেৱানগিৰি

ছাউফত ৬৩ দশমিক ০-৪ শতাংশ, নাগালেণ্ডৰ কোৰিদাং সমষ্টিত ৮০ দশমিক ৬-২ শতাংশ, ত্ৰিপুৰাৰ ধৰ্মনগৰ সমষ্টিত ৭৯ দশমিক ৮-৪ শতাংশ ভোটগ্ৰহণ হৈছে।

ইপিনে তামিলনাডুত একেটা পৰ্যায়ত হ'বলগীয়া আৰু পশ্চিমবংগত প্ৰথম পৰ্যায়ত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ মনোনয়ন প্ৰত্যাহাৰৰ আজি অন্তিম দিন। পশ্চিমবংগত দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ মনোনয়ন দাখিলৰো আজি অন্তিম দিন। ৪খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ ভোটগণনা অহা ৪ মে'ত অনুষ্ঠিত হ'ব।

০০০০

চাৰিদিনীয়া ভ্ৰমণসূচীৰে ভূটানলৈ যোৱা কেন্দ্ৰীয় শক্তি মন্ত্ৰী মনোহৰ লালে আজি দেশখনৰ প্ৰধানমন্ত্ৰী চেৰিং টপগেক সাক্ষাৎ কৰে। এই সাক্ষাতৰ সময়ত দুয়োজন নেতাই স্বচ্ছ শক্তিকেন্দ্ৰ আৰু বহনক্ষম উন্নয়নৰ অত্যাধুনিক সহযোগিতাৰ দুয়োখন ৰাষ্ট্ৰৰ দায়বদ্ধতাক দোহাৰে। শ্ৰী লালে ভূটানৰ শক্তি আৰু প্ৰাকৃতিক শক্তি মন্ত্ৰী লয়নপো জেম চেৰিঙকো সাক্ষাৎ কৰে। জলবিদ্যুৎ খণ্ডত অব্যাহত থকা সহযোগিতাক শক্তিশালী কৰিবলৈ দুয়োগৰাকী মন্ত্ৰীয়ে আলোচনা কৰে আৰু নৱীকৰণযোগ্য শক্তি আৰু আঞ্চলিক শক্তি আৰু বাণিজ্য খণ্ডক সম্প্ৰসাৰণ কৰাত গুৰুত্ব আৰোপ কৰে। এই উপলক্ষে দুয়োখন ৰাষ্ট্ৰই দুখন গুৰুত্বপূৰ্ণ বুজাবুজিৰ চুক্তিতো স্বাক্ষৰ কৰে।

০০০০

ইৰানৰ সংসদৰ অধ্যক্ষ মহম্মদ বাঘেৰ খালিবাফে লেবাননত হিজবুল্লাৰ ওপৰত ইজৰাইলৰ আক্ৰমণক কঠোৰভাৱে প্ৰত্যুত্তৰ দিয়া হ'ব বুলি সকিয়াই দিছে। যুদ্ধৰ অন্ত পেলোৱাৰ আলোচনাৰ বাবে খালিবাফক এজন সম্ভাব্য মধ্যস্থতাকাৰী হিচাপে গণ্য কৰা হৈছে। তেওঁ এই সপ্তাহতে ইছলামাবাদত মাৰ্কিন উপ-ৰাষ্ট্ৰপতি জেডি ভান্সক সাক্ষাৎ কৰাৰ সম্ভাৱনা আছে।

০০০০

আয়ুষ মন্ত্ৰালয়ে কাইলৈ নতুন দিল্লীত বিশ্ব হোমিঅ'পেথি দিৱসৰ আয়োজন কৰিছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে এই দিৱসৰ সৈতে সংগতি ৰাখি দুদিনীয়া আলোচনা সত্ৰৰো আয়োজন কৰা হৈছে। এই সত্ৰত নীতি নিৰ্মাতা, গৱেষক, চিকিৎসক আৰু অন্যান্য প্ৰতিনিধিসকলে অংশ ল'ব। তেওঁলোকে বহনক্ষম স্বাস্থ্য ব্যৱস্থা গঢ়ি তোলাৰ ক্ষেত্ৰত হোমিঅ'পেথিৰ বৰ্ধিত ভূমিকা সন্দৰ্ভত আলোচনা কৰিব। এই বছৰ এই দিৱসৰ মূলমন্ত্ৰ হৈছে - **বহনক্ষম স্বাস্থ্যৰ বাবে হোমিঅ'পেথি**। কাইলৈৰ অনুষ্ঠানত হোমিঅ'পেথি খণ্ডত গুৰুত্বপূৰ্ণ গৱেষণাৰ অগ্ৰগতি, জনস্বাস্থ্য পদক্ষেপ আৰু নীতি বিকাশ আদি প্ৰদৰ্শন কৰা হ'ব বুলি আয়ুষ মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

০০০০

ভাৰতৰ বিত্তীয় চোৰাংচোৰা গোট আৰু চাইবাৰ অপৰাধ সমন্বয় কেন্দ্ৰই তথ্য বিনিময় আৰু সমন্বয় বৃদ্ধিৰ বাবে আজি এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে। এই সন্দৰ্ভত বিত্ত মন্ত্ৰালয়ে কয় যে, এই বুজাবুজিৰ চুক্তিয়ে দুয়োটা সংস্থাকে পৰিচালনা বিষয়ক তথ্য বিকশাই তোলা আৰু বিত্তীয় অপৰাধ প্ৰতিৰোধ, ডিজিটেল লেনদেন সুৰক্ষিত আৰু সম্পত্তি উদ্ধাৰত তদন্তকাৰী সংস্থাসমূহক সহায় কৰিব। মন্ত্ৰালয়ে লগতে কয় যে, এই বুজাবুজি চুক্তিৰ লক্ষ্য

হৈছে দুয়োটা সংস্থাই ৰাষ্ট্ৰীয় পৰ্যায়ত বিভিন্ন জালিয়াতি ধৰা পেলোৱাৰ বাবে শক্তিশালী ব্যৱস্থা স্থাপন কৰা।

০০০০

মহিলা আৰু শিশু বিকাশ মন্ত্ৰী অন্নপূৰ্ণা দেৱীয়ে আজি নতুন দিল্লীত **পৰিপুষ্টি পযেক**ৰ অষ্টম সংস্কৰণ মুকলি কৰে। দেশৰ পৰা পৰিপুষ্টিজনিত সমস্যা দূৰ কৰি সুস্থ ভাৰত গঢ়াৰ লক্ষ্যৰে এই কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। এই কাৰ্যসূচীৰ অংশ হিচাপে এইবাৰ জীৱনৰ প্ৰথম ছবছৰত শিশুৰ মগজুৰ বিকাশ সৰ্বাধিক কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে কয় যে পৰিপুষ্টি বিষয়টোক গণ আন্দোলনলৈ ৰূপান্তৰিত কৰাৰ প্ৰচেষ্টাৰ অংশ হিচাপে এই কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। তেওঁ কয় যে অংগনবাড়ী, আশা আৰু স্বাস্থ্য কৰ্মীসকল এই আন্দোলনৰ মেৰুদণ্ডস্বৰূপ আৰু এই কাৰ্যসূচী সফল কৰি তোলাৰ বাবে তেওঁলোকে অক্লান্তভাৱে কাম কৰি আছে। অংগনবাড়ী কৰ্মীসকলে পৰিস্কাৰ পৰিচ্ছন্নতাৰ পৰা পৰিপুষ্টি বিষয়ক অভ্যাসলৈ বিভিন্ন বিষয়ৰ শিক্ষাদানেৰে প্ৰতি দিনে দেশৰ শিশুসকলৰ ভৱিষ্যৎ গঢ়াৰ কামত ব্ৰতী হৈছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

পৰিপুষ্টি পযেকৰ সময়ছোৱাত শিশুৰ জন্মৰ পৰা প্ৰথম এহেজাৰ দিনৰ পৰিপুষ্টি নিশ্চিত কৰা, হিতাধিকাৰী সকলৰ মাজত পৰিপুষ্টি নিৰ্ণয়ৰ বাবে পৰ্যালোচনা কৰা, স্বাস্থ্য সন্মত জীৱনশৈলী গঢ়ি তুলি শিশুৰ মেদবহুলতা নিয়ন্ত্ৰণ কৰা আৰু সামগ্ৰিকভাৱে স্বাস্থ্য আৰু পৰিপুষ্টি নিশ্চিত কৰাৰ ওপৰত গুৰুত্ব দিয়া হৈছে।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি কলকাতাৰ ইডেন গাৰ্ডেনছত কিছু সময়ৰ পাছত হ'বলগীয়া এখন খেলত কলকাতা নাইট ৰাইডাৰ্ছ, লক্ষ্নৌ ছুপাৰ জায়েণ্টছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

প্ৰতিযোগিতাত কাইলৈ গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ৰাজস্থান ৰয়েলছ, ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০

চীনৰ নিংবোত চলি থকা বেডমিণ্টন এছিয়া চেম্পিয়নশ্বিপত পুৰুষৰ একক শাখাত ভাৰতৰ আয়ুষ চেট্টীয়ে টাইপেৰ চীন য়ু জেনক ২১-১৬, ২১-১২ চেটত পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। কোৱাৰ্টাৰ ফাইনেলত তেওঁ তৃতীয়বাচনি প্ৰাপ্ত ইণ্ডোনেছিয়াৰ জনাটন খৃষ্টিৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। দুবাৰৰ অলিম্পিক পদক বিজয়ী পি ভি সিন্ধু আৰু প্ৰাক্তন বিশ্ব চেম্পিয়নশ্বিপৰ পদক বিজয়ী এইছ এছ প্ৰণয় দ্বিতীয় ৰাউণ্ডত পাৰস্ত হৈছে। ভাৰতৰ উন্নতী হুদাৰো জাপানৰ টমোকা মিয়াজাকিৰ বিৰুদ্ধে পৰাস্ত হয়।

০০০০

ঃঃ সমাপ্ত ঃঃ